**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। পথৰুঘাটৰ কৃষক ছহিদ দিৱসৰ কাৰ্যসূচীত আজি কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ অংশগ্ৰহণ। বিদ্ৰোহৰ স্মৃতিত ডাক বিভাগৰ বিশেষ ডাক টিকট মুকলি।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি কোকৰাঝাৰত বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উপস্থিতিত আজি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে প্ৰতিবেশী ৰাজ্যকেইখনতো আজি বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলৰ পৰম্পৰাগত বাথৌ পূজা পালন।

*আৰু*

৫। আই চি চি-ৰ ১৯ বছৰ অনূৰ্ধ মহিলা টি-টুৱেণ্টি ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত ভাৰত আজি ছুপাৰ ছিক্স পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। আজি পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো আজিৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। কৃষক ছহিদ দিৱস সন্দৰ্ভত এয়া আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামী -

বাইট

উল্লেখযোগ্য যে ব্ৰিটিছ শাসকে বৰ্ধিত হাৰত অন্যায়ভাৱে মাটিৰ খাজনা আৰোপ কৰাৰ বিৰুদ্ধে নিৰস্ত্ৰ প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ১৪০ গৰাকী কৃষক ছহিদে আৰক্ষীৰ গুলীত প্ৰাণ

হেৰুৱাইছিল। এই কৃষক ছহিদসকলৰ স্মৃতিত প্ৰতি বছৰে কৃষক ছহিদ দিৱস পালন কৰি অহা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পথৰুঘাটৰ ৰণৰ ছহিদসকললৈ কৃষক ছহিদ দিৱসৰ পৱিত্ৰ ক্ষণত শ্ৰদ্ধা জনাইছে।

০০০০০০

বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে দুদিনীয়াকৈ অনুষ্ঠিত কাৰ্যসূচীৰ আজি দ্বিতীয় দিনা কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি মুখ্যমন্ত্ৰীয়ে আজি কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰী ডং শৰ্মাই কোকৰাঝাৰত আয়োজন কৰা বাথৌ পূজাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত কোকৰাঝাৰত কালিৰপৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ প্ৰথম দিনা এটা মটৰচাইকেল সমদল উলিওৱা হয়। কালি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড সমাৰোহ অনুষ্ঠিত হয়। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হয়।

ইপিনে, চিৰাং জিলাৰ চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰতো কালি নিখিল বড়ো ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে দিনজোৰা কাৰ্যসূচীৰে পঞ্চম বি টি আৰ শান্তি চুক্তি দিৱস পালন কৰে।

তামুলপুৰ জিলাতো কালি বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে ইউ পি পি এল দলে মটৰ চাইকেল সমদল উলিয়ায়।

০০০০০০

হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ আজি শিক্ষানুষ্ঠানখনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ চৌহদত আয়োজন কৰা হৈছে। বিশ্ববিদ্যালয়ৰ আচাৰ্য ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অধ্যক্ষতাত আজি দিনৰ ভাগত আয়োজিত অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য ড০ ননী গোপাল মহন্তই মূল বক্তৃতা আগবঢ়াব। এই অনুষ্ঠানতে অসমীয়া ভাষা সংস্কৃতিলৈ আগবঢ়োৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, ভাষা সংস্কৃতিৰ গৱেষক ড০ উপনে ৰাভা হাকাচামলৈ জীৱন যোৰা সাধনা বঁটা আগবঢ়োৱা হ'ব। এই সমাৰোহত তিনিটা সোণৰ পদকসহ স্নাতকোত্তৰ শ্ৰেণীৰ ৮১ জন আৰু স্নাতক শ্ৰেণীৰ ৪৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি হোজাই জিলাত প্ৰথমবাৰৰ বাবে উপস্থিত হৈ জিলাখনৰ বিভিন্ন উন্নয়নমূলক কামকাজৰ বুজ লয়। শ্ৰী আচাৰ্যই জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ বিভিন্ন বিভাগে ৰূপায়ণ কৰি থকা কামকাজসমূহ পৰ্যালোচনা কৰে। হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু লামডিঙৰ বিধায়ক শিবু মিশ্ৰৰ উপস্থিতিত জিলাখনৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ৰাজ্যপালগৰাকীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, কৃষি, বন, জলসিঞ্চনকে ধৰি কেইবাটাও বিভাগৰ অধীনত ৰূপায়িত হৈ থকা কামকাজৰ খতিয়ান দাঙি ধৰে। শ্ৰী আচাৰ্যই অমৃত সৰোবৰ প্ৰকল্পৰ বিষয়ে বুজ লৈ এই সৰোবৰসমূহক

সামূহিক স্থান হিচাপে গঢ়ি তোলাৰ উপৰি পৰিৱেশ সংৰক্ষণৰ দিশৰ পৰা কেতবোৰ লেখতল'বলগীয়া কাম কৰিবলৈ পৰামৰ্শ দিয়ে। এই সৰোবৰ সমূহৰ পাৰত গছপুলি ৰোপণৰ উপৰি পতাকা উত্তোলন, প্ৰধানমন্ত্ৰীৰ মন কি বাত কাৰ্যসূচী সমূহীয়াভাৱে শুনাৰ ব্যৱস্থাকে ধৰি কেতবোৰ কাম কাজ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰি ৰাজ্যপাল গৰাকীয়ে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলক যোগ্য লোকসকলক ইয়াৰ সুবিধা প্ৰদানৰ বাবে আহ্বান জনায়। তেওঁ লগতে কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি তেওঁলোকৰ শিক্ষাত যাতে ব্যাঘাত নজন্মে সেই দিশত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। তদুপৰি যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ নিক্ষয় মিত্ৰ হিচাপে কাম কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰাৰ বাবে তেওঁ আহ্বান জনায়। ইয়াৰ পূৰ্বে হোজাইত উপস্থিত হোৱাৰ পাছতে তেওঁ হোজাই আৰক্ষী ভৱন চৌহদত আত্মসহায়ক গোটসমূহৰ এখন প্ৰদৰ্শনী মুকলি কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে প্ৰতিবেশী ৰাজ্যকেইখনতো আজি বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে বাথৌ পূজা পালন কৰিছে। বড়ো-কছাৰী জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ আৰাধনাৰ বাবে বছৰত দুবাৰকৈ এই পূজাৰ আয়োজন কৰা হয়। এই পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি তাৰে বাথৌ বেদী সাজি পূজা কৰা হয়। এই পূজাত দেওধনী আৰু খেৰাই নৃত্য পৰিৱেশন কৰা হয়। এই পূজাৰ সৈতে বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰা জড়িত হৈ আছে। জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত আয়োজিত এই পূজা সাধাৰণতে মাঘৰ দ্বিতীয়টো মঙলবাৰে কৰা হয়। কোকৰাঝাৰ জিলাত সদৌ বাথৌ মহাসভাৰ কোকৰাঝাৰ জিলা সমিতিয়ে কোকৰাঝাৰ নগৰৰ বাগানশালীত থকা থানশালীত এই পূজাৰ আয়োজন কৰিছে। বাথৌ দেৱতাক পূজা-অৰ্চনা কৰাৰ বাবে আজি পুৱাৰে পৰা অঞ্চলটোত অগণন লোকৰ সমাগম হৈছে।

বাক্সা জিলাৰ বিভিন্ন অঞ্চলতো আজি বাথৌ পূজাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাথৌ পূজাৰ পবিত্ৰ দিনটোত সকলোৰে মংগল কামনা কৰি বাথৌ দেৱতাৰ প্ৰতি সেৱা নিবেদন কৰিছে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰায়ো বাথৌ পূজা উপলক্ষে বড়ো জনগোষ্ঠীৰ লোকসকলৰ লগতে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে  ন্যায়ালয়ে দোষী সাব্যস্ত কৰা আৰু কাৰাদণ্ডৰে দণ্ডিত কিছুমান বিশেষ শ্ৰেণীৰ কয়দীৰ শাস্তি ৰেহাই দিয়াৰ ঘোষণা কৰিছে। গণৰাজ্য দিৱস উপলক্ষে চৰকাৰে এই সিদ্ধান্ত ঘোষণা কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এটা নিৰ্দেশৰ জৰিয়তে এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুসৰি সামৰিক আদালতৰ বাহিৰে অন্য আদালতে দোষী সাব্যস্ত কৰা কাৰাবন্দীৰ ক্ষেত্ৰতহে এই ৰেহাই প্ৰযোজ্য হ'ব। এবছৰতকৈ অধিক কাৰাবাসৰ শাস্তি লাভ কৰাসকলৰ বন্দীত্বৰ ম্যাদ ৩০ দিন, ছমাহৰ পৰা এবছৰলৈ কাৰাদণ্ডৰে দণ্ডিতসকলৰ ১৫ দিন, তিনিৰ পৰা ছমাহলৈ শাস্তি লাভ কৰাসকলৰ ১০ দিন আৰু এমাহৰ পৰা তিনিমাহলৈ বন্দীত্বৰ শাস্তি লাভ কৰাসকলৰ শাস্তিৰ ম্যাদ ৫ দিন হ্ৰাস কৰা হৈছে। শাস্তিৰ ম্যাদ ৰেহাইৰ এই নিৰ্দেশ যোৱা ২৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব। অৱশ্যে মাদকদ্ৰব্য সৰবৰাহ আইনৰ অধীনত দোষী সাব্যস্ত হোৱা কয়দী, দুৰ্নীতি প্ৰতিৰোধ আইন, পাৰপত্ৰ আইনকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ আইনৰ অধীনত দোষী সাব্যস্ত হোৱা কয়দীসকলৰ শাস্তি ৰেহাই দিয়া হ'ব।

০০০০০০

অসম গাঁওৰক্ষী সংগঠনৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস দুদিনীয়া কাৰ্যসূচীৰে আজিৰেপৰা তিনিচুকীয়া জিলাৰ ডুমডুমাত অনুষ্ঠিত হৈছে। আজি দিনৰ ১১ বজাত ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাংগণত প্ৰতিনিধিসকলৰ নাম পঞ্জীয়নেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। বিয়লি প্ৰতিনিধি শিবিৰ মুকলি কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা ৰাজ্যিক অধিৱেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুহেজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কাইলৈ পুৱা পতাকা উত্তোলনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত দিনৰ ১০ বজাত এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। জিলাখনৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই এই শোভাযাত্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। দুপৰীয়া মুকলি সভা অনুষ্ঠিত হোৱাৰ পাছত বিয়লি ডুমডুমা মহাবিদ্যালয় প্ৰাংগণত প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব।

oooooo

শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ প্ৰতিনিধি সভাত সংগঠনটোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক হিচাপে সমীৰণ ফুকনক বাছনি কৰা হয়। প্ৰতিনিধি সভাই সংগঠনটোৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেক উপ-সভাপতি হিচাপে মনোনীত কৰাৰ লগতে তিনিচুকীয়াৰ সমৰ গোহাঁই, চৰাইদেউৰ অনুপজ্যোতি ভূঞাক সহকাৰী সাধাৰণ সম্পাদক হিচাপে আৰু শোণিতপুৰৰ নয়নজ্যোতি গগৈক সাংগঠনিক সম্পাদক হিচাপে মনোনীত কৰে। কালি সন্ধিয়া পৰাগ চলিহা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিনিধি সভাত অভ্যৰ্থনা সমিতিৰ সভাপতি ডং সব্যসাচী মহন্ত আৰু জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই আদৰণি ভাষণ দিয়াৰ পাছতেই আছুৰ মুখ্য উপদেষ্টা ডং সমুজ্জ্বল ভট্টাচাৰ্যই প্ৰতিনিধি সভা উদ্বোধন কৰে।

আজি দ্বিতীয় দিনা অনান্য কাৰ্যসূচীৰ লগতে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিক প্ৰতিফলিত কৰি এটা বিশাল শোভাযাত্ৰা উলিওৱা হ'ব।

oooooo

## NEWSPAPER REVIEW

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত দেশৰ ৰাষ্ট্ৰীয় পাতাকা উন্মোচন কৰা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে ফটোসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো দৈনিক অসম কাকতে **ডিব্ৰুগড় হ'ব দ্বিতীয় ৰাজধানী** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰি অসমীয়া খবৰ কাকতে **অসমৰ দ্বিতীয় ৰাজধানী হ'ব ডিব্ৰুগড়, গুৱাহাটীলৈ যাতায়তৰ দূৰত্ব ৫ ঘণ্টা হ্ৰাস কৰাৰ প্ৰয়াস** শিৰোনামাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় কেবিনেটে জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফৰ নতুন সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ পৰিপ্ৰেক্ষিতত শ্ৰী সিঙক অসম আৰক্ষীৰ সঞ্চালক প্ৰধান পদৰ পৰা কালি আনুষ্ঠানিকভাৱে বিদায় দিয়া হয়। আমাৰ অসম কাকতৰ শিৰোনাম **জি পি সিঙৰ বাবে বিশেষ নিৰাপত্তা বিচাৰি গৃহ দপ্তৰলৈ পত্ৰ চি আৰ পি এফৰ**। ৰাজ্যৰ নতুন ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালপ্ৰধান হিচাপে হৰমতি সিঙক দায়িত্ব দিয়া হৈছে। এই বাতৰিটো দি ছেণ্টিনেল কাকতে HARMEET SINGH NAMED ASSAM DGP IN-CHARGE শিৰোনামাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰত চলি থকা সাধাৰণ সভাত সমীৰণ ফুকনক সাধাৰণ সম্পাদক ৰূপে মনোনীত কৰা হৈছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰাখণ্ডত কালিৰে পৰা উমৈহতীয়া দেৱানী সংহিতা বলৱৎ কৰা হয়। উমৈহতীয়া দেৱানী সংহিতা বলৱৎ কৰা উত্তৰাখণ্ড দেশৰ প্ৰথমখন ৰাজ্য হিচাপে বিবেচিত হোৱা বাতৰিটো দৈনিক জনমভূমি, দ্যা টাইমছ্ অব ইণ্ডিয়া আৰু দ্যা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, নাট্যকাৰ সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ দেহাৱসানৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে ফটোসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সন্থাৰ বিষয়ববীয়া তথা ৰাষ্ট্ৰীয় খেলুৱৈ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব।

উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন চহৰত ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ দুই তাৰকা আন্তৰ্জাতিক ক্ৰীড়াবিদ মহিলা শ্বটলাৰ অস্মিতা চলিহা আৰু পুৰুষ উশ্বু খেলুৱৈ চানমা ব্ৰহ্মই অসম দলৰ ধবজা বহন কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

০০০০০০

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ হাইলাকান্দি জিলা পৰ্যায়ৰ খেল কাইলৈৰ পৰা জিলাখনৰ নেতাজী সুভাষ চন্দ্ৰ বসু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা মুঠ ৮ টা দলে অংশগ্ৰহণ কৰিব। উদ্বোধনী খেলত ইনছাফ ক্লাব, আলগাপুৰ ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পৰহিলৈৰ পৰা প্ৰতিদিনে দুখনকৈ খেল অনুষ্ঠিত হ'ব। ৫ ফেব্ৰুৱাৰীত প্ৰতিযোগিতাৰ দুখন চেমিফাইনেল আৰু ৭ ফেব্ৰুৱাৰীত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০

আই চি চি-ৰ ১৯ বছৰ অনূৰ্ধ মহিলা টি-টুৱেণ্টি ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী ভাৰত আজি ছুপাৰ ছিক্স পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ পৰিপ্ৰেক্ষিতত মালয়েছিয়াৰ কুৱালালামপুৰৰ বায়ুএমাছ্ অভেলত অনুষ্ঠিত হ'বলগীয়া আজিৰ খেলখন গুৰুত্বহীন হিচাপে বিবেচিত হৈছে। ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা আৰু ইংলেণ্ডে ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৫ খনীয়া শৃংখলাত সূৰ্য কুমাৰ যাদৱ নেতৃত্বাধীন

ভাৰতৰ দলটো সম্প্ৰতি ২-০ৰ ব্যৱধানত আগবাঢ়ি আছে। কলকাতাত অনুষ্ঠিত শৃংখলাৰ প্ৰথম খেলখনত ভাৰতে ইংলেণ্ডক ৭ উইকেটত আৰু চেন্নাইত অনুষ্ঠিত দ্বিতীয়খন খেলত ২ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল আজি পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত